# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date :** 24-04-2024
**Time :** 18-45 Hrs

**ASSAMESE EVENING BULLETIN**

**:::::::::::::::::::::::::::::::::**

১। ৰাজ্যখনৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি। ৰাজ্যৰ ৫ টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁত মুঠ ৬১ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।

২। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনক লৈ প্ৰচাৰ অভিযান তুংগত। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।

৩। ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনক লৈ নিৰ্বাচন আয়োগৰ প্ৰস্তুতি সম্পূৰ্ণ। কাৰ্বি আংলং, দৰঙৰ দূৰণিবটীয়া ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ প্ৰিজাইডিং আৰু পোলিং বিষয়াকে ধৰি অন্যান্য বিষয়াসকল ৰাওনা। *আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত গুজৰাট টাইটানছ- দেলহি কেপিটেলছৰ মুখামুখি।

০০০

ৰাজ্যখনৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰিছে। আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলায়। এই পৰ্যায়ত ৰাজ্যৰ ৫ টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দৰং ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ সমষ্টিটোৰ মাজবাট, কমলপুৰৰ লগতে জালুকবাৰীতো নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে মাজবাটৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প খেলপথাৰত আয়োজিত সমাবেশত দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বড়োলেণ্ডলৈ শান্তিৰ পৰিবেশ ঘুৰি আহিছে বুলি মন্তব্য কৰে। আনহাতে, অহা জুলাই মাহত ৰাজ্যখনত আৰু ৫০ হাজাৰ টা চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ড° শৰ্মাই লাহৰিঘাটত নগাওঁ সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে নিজ ভাষণত কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। ইপিনে, কংগ্ৰেছ দলে আজি নগাঁৱত দলৰ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈৰ সমৰ্থনত এটা ৰোড শ্ব' অনুষ্ঠিত কৰে। নগাঁওৰ ৰাজীৱ ভৱনৰ পৰা উলিওৱা এই ৰোড শ্ব'ত দলৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইন, সাংসদ গৌৰৱ গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয়

পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ আৰু বিধায়ক ৰেকিবুদ্দিন আহমেদৰ লগতে ভালেসংখ্যক নেতা কৰ্মী উপস্থিত থাকে। জিলাখনৰ ধিং ধোপৰগুৰিত আজি আন এখন প্ৰচাৰ সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু বটদ্ৰবা বিধায়িকা শিৰামণি বৰাই ভাষণ দিয়ে।

ইফালে কৰিমগঞ্জত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰম্ভ কৰি ৰেলপথলৈকে সকলো দিশতে উন্নয়ন সম্ভৱ হৈ উঠিছে। বৰাক উপত্যকাত নিৰ্বাচনৰ পৰিবেশ সন্দৰ্ভত আমাৰ হাইলাকান্দিৰ সংবাদদাতা নিলোৎপল দেৱে এইদৰে কয়।

**ভইছ**

ইপিনে, নগাওঁ সংসদীয় সমষ্টিৰ অন্তৰ্গত ধিঙত আজি বিজেপিৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পিযুছ হাজৰিকাই সমষ্টিটোৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। এই সভাত কেইবাগৰাকীও কংগ্ৰেছ দলৰ সদস্যই বিজেপিত যোগ দিয়ে। এ আই ইউ ডি এফৰ মুৰববী বদৰুদ্দিন আজমল আৰু বি পি এফৰ মুৰববী হাগ্ৰামা মহিলাৰীয়েও আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়। বি পি এফৰ মুৰববীগৰাকীয়ে আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ দলটোৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ হৈ তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ সুৰাগপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। তামুলপুৰ জিলাত নিৰ্বাচনৰ বিভিন্ন দিশ সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা নয়নজ্যোতি দাসে এইদৰে কয়।

**ভইছ**

ইপিনে, তৃতীয় পৰ্যায়ত নিৰ্বাচন হবলগীয়া ৪ টা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত প্ৰচাৰ অভিযান অব্যাহত আছে। আজি ধুবুৰী লোকসভা সমষ্টিৰ অধীনত মানকাছৰৰ হাতশিঙিমাৰীত অসম গণ পৰিষদ দলৰ এটা নিৰ্বাচনী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

গুৱাহাটী সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধীৰ সমৰ্থনত মন্ত্ৰী অশোক সিংহালে আজি বিয়লি এটা ৰোড শ্ব'ত অংশ লয়। আনহাতে প্ৰাৰ্থীগৰাকীয়ে আজি লোকসভা সমষ্টিটোৰ অন্তৰ্গত নিউ গুৱাহাটী বিধানসভা সমষ্টিৰ নুনমাটিত অসম গণ পৰিষদ দলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি অনুষ্ঠানত অংশ লোৱাৰ উপৰি চুনচালি আৰু নুনমাটিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে আজি সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ত পৰহিলৈ অৰ্থাৎ ২৬ এপ্ৰিলত ৫ টা সমষ্টিৰ বাবে হবলগীয়া নিৰ্বাচনৰ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। এই পৰ্যায়ত ৭৭ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৯ হাজাৰ ১৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব।

উল্লেখযোগ্য যে সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি অসমত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতাই এইবাৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰৰ উৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে।

ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত এহেজাৰ ৫৫১ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে অসমত নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০

অহা ৭ মে'ত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত দুহেজাৰ ৯৬৩ গৰাকী প্ৰাৰ্থীয়ে ৯৫টা সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰিছিল। ইপিনে, অসমত এই পৰ্যায়ত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া বৰপেটা আৰু বজালিত উপস্থিত নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে বৰপেটা জিলা আয়ুক্ত আয়ুষ গাৰ্গ, নিৰ্বাচনী বিষয়া ময়ুৰাক্ষী দত্তৰ সৈতে নিৰাপত্তাৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। ইয়াৰ পাছতে গোৱেলে বৰপেটা নিৰ্বাচনী জিলাৰ বাবে মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰিবলগীয়া ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে। আনহাতে, বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত বজালি নিৰ্বাচনী জিলাত উপস্থিত হৈ গোৱেলে প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে ভট্টদেৱ বিশ্ববিদ্যালয়ত স্থাপন কৰিবলগীয়া ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে।

০০০০

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই অহা ২৭ এপ্ৰিলত অসমলৈ আহিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি এই কথা সদৰি কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে বৰপেটাৰ কংগ্ৰেছ প্ৰাৰ্থী দীপ বায়নৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে গুৱাহাটীত এখন সংবাদ মেলত অংশগ্ৰহণ কৰিব।

০০০০

ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনক লৈ নিৰ্বাচন আয়োগে সকলো প্ৰকাৰৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ভোটাৰৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি বিজনী মহকুমাধিপতি কাৰ্যালয়ত এটা ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষৰ উদ্যোগত আৰু বঙাইগাঁও নামনি অসম চিকিৎসালয় গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত আয়োজিত এই ৰক্ত শিবিৰত কেন্দ্ৰীয় অৰ্দ্ধসামৰিক বাহিনীৰ ২০গৰাকী জোৱানে ৰক্তদান কৰে। আনহাতে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰস্তুতি সন্দৰ্ভত আজি ৰঙিয়াৰ মহকুমাধিপতি কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়া দেৱাশীষ গোস্বামীয়ে এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেল সম্বোধন কৰি জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটাৰৰ সুবিধা হোৱাকৈ ট'ল ফ্ৰী নম্বৰ ১৯৫০ আৰু মোবাইল নম্বৰ ৮৮৭৬০-৮০৪১৯ মুকলি কৰে। নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটগ্ৰহণৰ সময়ত জনসাধাৰণে সন্মুখীন হব পৰা যিকোনো সমস্যাৰ ক্ষেত্ৰত এই ফোন নম্বৰ দুটা ২৪ ঘণ্টাই সক্ৰিয় হৈ থাকিব বুলি সদৰি কৰে। সমষ্টিটোৰ স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত আইন-শৃংখলা নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী মোতায়েন কৰাৰ লগতে ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ সদৰি কৰে।

ইপিনে, ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাৰ্বি আংলঙৰ দূৰণিবটীয়া ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ইতিমধ্যে প্ৰিজাইডিং আৰু পোলিং বিষয়াকে ধৰি অন্যান্য বিষয়াসকল ৰাওনা হৈছে। কাৰ্বি আংলং নিৰ্বাচনী জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হৈছে ৪৪৮টা। একেদৰে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত দৰং নিৰ্বাচনী জিলাৰ ৪৩টা দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ ইতিমধ্যে নিৰ্বাচনী বিষয়াসকল ৰাওনা হৈছে।

ইপিনে, অহা ৭ মে'ত হবলগীয়া তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি অব্যাহত আছে। সেই অনুসৰি প্ৰথমবাৰৰ বাবে নিৰ্বাচন প্ৰক্ৰিয়াত অংশ ল'বলগীয়া প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক দুদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। বিষয়াসকলক ইলেকট্ৰনিক ভোটিং মেচিন পৰিচালনা, ভোটগ্ৰহণ প্ৰক্ৰিয়া, নিৰাপত্তা আদি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। ইয়াৰ লগতে অহা ২৯ এপ্ৰিলৰ পৰা ২ মে'লৈ ভোটগ্ৰহণত জড়িত বিষয়াসকলক চূড়ান্ত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি গোৱালপাৰা জিলা নিৰ্বাচনী বিষয়াই জানিবলৈ দিছে।

০০০০

ৰাজ্যখনত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটগ্ৰহণ হ'বলগীয়া নগাঁও, বাক্সা, তামুলপুৰ জিলাত ১৪৪ ধাৰা জাৰি কৰা হৈছে। ইয়াৰ লগতে সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধৰ ঘোষণা কৰা হৈছে। ইপিনে, কামৰূপ জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশনা অনুসৰি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত আজি বিয়লি ৫ বজাৰ পৰা ২৬ এপ্ৰিলৰ বিয়লি ৫ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। একেটা নিৰ্দেশনাতে জিলা আয়ুক্তগৰাকীয়ে ভোটগণনাৰ বাবে নিৰ্ধাৰিত ৪ জুনৰ দিনটোতো ভোটগণনা সমাপ্ত নোহোৱালৈকে জিলাখনত সুৰা নিষিদ্ধ ঘোষণা কৰিছে।

০০০০

অৰুণাচল প্ৰদেশৰ চাৰিটা বিধানসভা সমষ্টিৰ আঠটা ভোটগ্ৰহণ কেন্দ্ৰত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ পুনৰ ভোটগ্ৰহণ আজি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। পুৱা ৬ বজাত আৰম্ভ হোৱা ভোটগ্ৰহণৰ বিয়লি ২ বজাত সামৰণি পৰে। ভোটগ্ৰহণ সম্পূৰ্ণ হোৱাৰ লগে লগে এই কেন্দ্ৰকেইটাত 17A প্ৰ-পত্ৰ পৰীক্ষা কৰা হয়।

এই ভোট কেন্দ্ৰকেইটাত যোৱা ১৯ এপ্ৰিলত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। বামেং আৰু নিয়াপিন বিধানসভা সমষ্টিৰ এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ, ৰুমগং সমষ্টিৰ দুটা আৰু নাছ' বিধানসভা সমষ্টিৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

০০০০

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ লগে লগে ভোটগ্ৰহণৰ বাবে সংশ্লিষ্ট নিৰ্বাচনী জিলাসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশনামৰ্মে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ সুবিধা হোৱাকৈ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ৫০ শতাংশ ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি জ্যেষ্ঠ নাগৰিক, সন্তানসম্ভৱা আৰু প্ৰসুতি মাতৃসকলৰ বাবে অধিক সময় অপেক্ষা নকৰাকৈ ভোটদানৰ সুবিধা থাকিব। ভোটগ্ৰহণ কেন্দ্ৰসমূহত দিব্যাংগসকলৰ বাবে ৰেম্পৰ লগতে খোৱাপানী, বিজুলী আদিৰ যোগান নিশ্চিত কৰা হৈছে। এইবাৰ দৃষ্টিহীন ভোটদাতাসকলৰ বাবে ব্ৰেইল পদ্ধতিৰে ভোটদানৰ সুবিধা ৰখা হৈছে। ইপিনে, কৰিমগঞ্জ সংসদীয় সমষ্টিৰ বাবে জিলা নিৰ্বাচনী বিষয়া মৃদুল যাদৱে আজি নিৰ্বাচনৰ চূড়ান্ত পৰ্যায়ৰ প্ৰস্তুতি সম্পৰ্কে এখন সংবাদমেলযোগে অৱগত কৰে। তেওঁ নিৰ্বাচনত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ লগতে ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু ভোটদাতাসকলক নিৰ্বাচন সম্পৰ্কীয় নীতি-নিৰ্দেশনাসমূহ মানি

চলিবলৈ আহ্বান জনায়। আনহাতে, সমষ্টিটোত দূৰণিবতীয়া ভোটকেন্দ্ৰসমূহলৈ যাবলগীয়া বিষয়া কৰ্মচাৰীসকলক প্ৰয়োজনীয় সা-সামগ্ৰী বিতৰণ আজি আৰম্ভ হৈছে। কৰিমগঞ্জ জিলাৰ এহেজাৰ ৫৮ টা ভোটকেন্দ্ৰৰ ভিতৰত ৮৩ টাৰ বাবে নিয়োজিত বিষয়া কৰ্মচাৰীসকলে ইতিমধ্যে প্ৰয়োজনীয় সামগ্ৰী লাভ কৰিছে। উল্লেখযোগ্য যে কৰিমগঞ্জ জিলাত ৯ লাখ ৩৫ হাজাৰৰো অধিক ভোটদাতা আছে। ইয়াৰ ভিতৰত ৪ লাখ ৭৫ হাজাৰৰো অধিক পুৰুষ আৰু ৪ লাখ ৬০ হাজাৰৰো অধিক মহিলা ভোটদাতা। জিলাখনৰ ভোটকেন্দ্ৰসমূহৰ ভিতৰত ৯৪ টা স্পৰ্শকাতৰ  হিচাপে চিনাক্ত কৰা হৈছে। আনহাতে ১১ টা ভোটকেন্দ্ৰ মহিলা বিষয়াই পৰিচালনা কৰিব আৰু আন এঘাৰটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। জিলাখনত ৫৮১ টা ভোটকেন্দ্ৰত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব।

০০০০

শিৱসাগৰৰ যুবদল প্ৰেক্ষাগৃহত আজি জ্ঞানপীঠ বঁটা প্ৰাপক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হয়। ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী উদযাপন সমিতি, শিৱসাগৰৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ চন্দ্ৰন শৰ্মাই "বীৰেন্দ্ৰ  কুমাৰ ভট্টাচাৰ্য ঃ মন, মনন আৰু মতাদৰ্শ" শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত শিৱসাগৰ জিলাৰ কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে চমু বক্তৃতা, কবিতা আবৃত্তি, গীত-মাত আদি পৰিৱেশন কৰে।

০০০০

গুৱাহাটীৰ চাৰিগৰাকীকৈ দবা খেলুৱৈ ফীডে ৰেটিং লাভ কৰিবলৈ সক্ষম হৈছে। গুৱাহাটী দবা একাডেমীৰ খেলুৱৈ ভৌমিক কিশোৰ দাস, হৃয়ান কৌশিক ঠাকুৰীয়া, তমন্না শৰ্মা আৰু তানিস্ক ঠাকুৰীয়াক ফীডে ৰেটিং প্ৰদান কৰা হৈছে। বিশ্ব দবা মহাসংঘই প্ৰকাশ কৰা এপ্ৰিল, ২০২৪ৰ ফীডে ৰেটিং তালিকা অনুসৰি ভৌমিক কিশোৰ দাসে এহেজাৰ ৫৫০ ৰেটিং লাভ কৰাৰ বিপৰীতে হৃয়ান কৌশিক ঠাকুৰীয়াই এহেজাৰ ৪৭২ ৰেটিং লাভ কৰে। তমন্না শৰ্মা আৰু তানিস্ক ঠাকুৰীয়াই ক্ৰমে এহেজাৰ ৪৬১ আৰু এহেজাৰ ৪৪৯ ৰেটিং লাভ কৰিবলৈ সক্ষম হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ